Regional News Unit
All India Radio, Guwahati
0000000000

Date : 20-08-2024 Time : 1715 Hrs.

*Assamese Evening Bulletin*
0000000

ভাৰত আৰু মালয়েছিয়াই শ্ৰম আৰু নিয়োগ, আয়ুৰ্বেদ আৰু পাৰম্পৰিক ঔষধ, ডিজিটেল প্ৰযুক্তি, সংস্কৃতি, পৰ্যটন তথা যুৱ আৰু ক্ৰীড়াৰ দিশত সহযোগিতাৰ ক্ষেত্ৰত কেইবাখনো চুক্তি স্বাক্ষৰ কৰিছে। দুয়োখন দেশে লগতে ৰাজহুৱা প্ৰশাসন, শাসন ব্যৱস্থাৰ সংস্কাৰ আৰু পাৰস্পৰিক সহযোগিতাৰ ক্ষেত্ৰতো চুক্তি স্বাক্ষৰ কৰে। নতুন দিল্লীত আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী আনোৱাৰ বিন ইব্ৰাহিমৰ মাজত প্ৰতিনিধি পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হোৱাৰ পাছতে এই চুক্তিসমূহ স্বাক্ষৰিত হয়। অনুষ্ঠানৰ পাছত আয়োজিত যুটীয়া সংবাদ মেলত শ্ৰীমোদীয়ে কয় যে ভাৰত আৰু মালয়েছিয়াই দুয়োখন দেশৰ মাজত থকা সৰ্বাত্মক কৌশলগত সহযোগিতাক বৰ্ধিত কৌশলগত সহযোগিতালৈ উত্তৰণ ঘটোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। তেওঁ লগতে কয় যে প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত দুয়োখন দেশে পাৰস্পৰিক সহযোগিতাৰ সকলোবোৰ ক্ষেত্ৰক সামৰি আলোচনা কৰিছে আৰু দুয়ো দেশৰ মাজত অৰ্থনৈতিক সহযোগিতাৰ দিশত প্ৰচুৰ সম্ভাৱনা আছে।

0000000

দিল্লীত গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে অসম ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতা আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। অসমৰ ৰাজ্যসভাৰ দুখন আসনৰ প্ৰাৰ্থিত্বৰ লৈ এই বৈঠক অনুষ্ঠিত হৈছিল। বৈঠকৰ পাছত ৰাজ্যিক বিজেপিৰ সভাপতিগৰাকীয়ে আজি ৰাজ্যসভাৰ দুয়োখন আসনৰ বাবে প্ৰাৰ্থী দুগৰাকীৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰা হ'ব বুলি প্ৰকাশ কৰে। বহিঃৰাজ্যৰ কোনো প্ৰাৰ্থীৰ নাম আসন দুখনৰ বাবে চৰ্চালৈ অহা নাই বুলিও তেওঁ জানিবলৈ দিয়ে। উল্লেখযোগ্য যে অসম ৰাজ্যিক বিজেপিয়ে এই আসন দুখনৰ বাবে প্ৰেৰণ কৰা ১০ জনীয়া তালিকা সন্দৰ্ভত আজি বিতংভাৱে আলোচনা অনুষ্ঠিত হয়।

0000000

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে চিকিৎসালয়ত সুৰক্ষা বৃদ্ধি কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ সকলো চিকিৎসালয় আৰু চিকিৎসা প্ৰতিষ্ঠানৰ মুৰব্বীসকললৈ পত্ৰ প্ৰেৰণ কৰিছে। এই পত্ৰত মন্ত্ৰালয়ে চিকিৎসালয়সমূহৰ আগমন, প্ৰস্থান, কৰিড'ৰ আৰু স্পৰ্শকাতৰ এলেকাসহ গুৰুত্বপূৰ্ণ স্থানসমূহত পৰ্যাপ্ত সংখ্যক উচ্চ ৰিজ'লিউচনৰ চি চি টি ভি কেমেৰা সংস্থাপন কৰিবলৈ নিৰ্দেশ দিছে। জৰুৰীকালীন অৱস্থাত তাৎক্ষণিক সঁহাৰিৰ বাবে এটা নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰিবলৈও পত্ৰখনত কোৱা হৈছে। তদুপৰি পত্ৰখনত চিকিৎসালয়ৰ চৌহদসমূহত নিৰীক্ষণ, টহল আৰু পৰ্যবেক্ষণৰ বাবে পৰ্যাপ্ত প্ৰশিক্ষণপ্ৰাপ্ত সুৰক্ষা কৰ্মী নিয়োগ কৰা উচিত বুলি উল্লেখ কৰা হৈছে। মন্ত্ৰালয়ে লগতে পৰিচয় পত্ৰ দেখুওৱাৰ পাছতহে কৰ্তৃত্বশীল কৰ্মচাৰীসকলক প্ৰৱেশ আৰু প্ৰস্থানৰ অনুমতি দিবলৈ পৰামৰ্শ দিছে। আনহাতে চিকিৎসালয়লৈ অহা সকলো লোকৰ নিৰীক্ষণৰ বাবে পৰ্যাপ্ত ব্যৱস্থা কৰা উচিত বুলি প্ৰকাশ কৰিছে। ইয়াৰ উপৰি চিকিৎসক, নাৰ্ছ আৰু প্ৰশাসনিক কৰ্মচাৰীসহ সকলোকে সুৰক্ষাৰ ভাবুকি চিনাক্ত কৰা আৰু সেই অনুসৰি সঁহাৰি জনোৱাৰ বাবে প্ৰশিক্ষণ প্ৰদান কৰিবলৈ কোৱা হৈছে। তেওঁলোকক জৰুৰীকালীন পৰিস্থিতিৰ সন্মুখীন হ'ব পৰাকৈ দক্ষ কৰি তুলিবলৈ কোৱা হৈছে। চিকিৎসা প্ৰতিষ্ঠানৰ চৌহদৰ অন্ধকাৰ হৈ থকা ঠাইসমূহ নিৰীক্ষণ কৰাৰ উপৰি

মহিলা স্বাস্থ্যকৰ্মীয়ে কাম কৰা ঠাই, যান-বাহন ৰখোৱা ঠাই আৰু প্ৰৱেশ দ্বাৰত পৰ্যাপ্ত পোহৰৰ ব্যৱস্থা কৰিবলৈও পৰামৰ্শ দিয়া হৈছে। কোনো অনাকাংক্ষিত ঘটনা সংঘটিত হ'লে স্থানীয় আৰক্ষী আৰু জৰুৰীকালীন সেৱাৰ সৈতে সমন্বয় সুনিশ্চিত কৰি মহিলা স্বাস্থ্যকৰ্মীসকলক সকলোধৰণৰ বুনিয়াদী সা-সুবিধা থকা নিৰাপদ কৰ্ম সম্পাদন কক্ষ প্ৰদান কৰিবলৈ মন্ত্ৰালয়ে পত্ৰখনত উল্লেখ কৰিছে। স্বাস্থ্য মন্ত্ৰালয়ে লগতে বিভিন্নধৰণৰ জৰুৰী অৱস্থাৰ জোৰা মৰাৰ বাবে সৰ্বাত্মক পৰিকল্পনা যুগুতাই উলিওৱাৰ পৰামৰ্শ আগবঢ়াইছে।

০০০০০০০

অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান জি পি সিঙে গুৱাহাটী আৰু লখিমপুৰত বোমা উদ্ধাৰৰ ঘটনাৰ তদন্ত ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থা, এন আই এলৈ হস্তান্তৰ কৰাৰ কথা ঘোষণা কৰিছে। আজি কাহিলিপাৰাত আৰক্ষীৰ প্ৰশিক্ষণ সমাপ্তিৰ কুচকাৱাজত অংশ লোৱাৰ পাছত সংবাদ মাধ্যমৰ আগত শ্ৰীসিঙে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, বোমা উদ্ধাৰৰ ঘটনা সন্দৰ্ভত মুঠ ১০টা গোচৰ ৰুজু কৰা হৈছে। ইয়াৰে গুৱাহাটী আৰু লখিমপুৰত বোমা উদ্ধাৰৰ ঘটনাৰ তদন্ত ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থালৈ হস্তান্তৰৰ বাবে অসম চৰকাৰলৈ পত্ৰ প্ৰেৰণ কৰা হৈছে। সঞ্চালকপ্ৰধানগৰাকীক কয় যে, শিৱসাগৰত এই ঘটনাৰ তদন্ত যথেষ্ট আগবাঢ়িছে আৰু ঘটনাৰ সৈতে জড়িত থকাৰ সন্দেহত ৪ জন লোকক আটক কৰা হৈছে। ইফালে কালি গুৱাহাটীৰ এটা শ্বপিং ম'লত সৃষ্টি হোৱা পৰিস্থিতি সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি শ্ৰীসিঙে কয় যে, গুৱাহাটীকে ধৰি দেশৰ বিভিন্ন প্ৰান্তৰ শ্বপিং ম'ল আৰু হাস্পতাললৈ বিগত ছমাহ ধৰি ইমেইলৰ জৰিয়তে বোমা সংস্থাপনৰ ভুৱা ভাবুকি আহি আছে। কোনো দুষ্টচক্ৰই এনে কাম সংঘটিত কৰি থকা বুলি প্ৰকাশ কৰি তেওঁ কয় যে, এই সন্দৰ্ভত কেন্দ্ৰীয় সংস্থাই সংশ্লিষ্ট ৰাজ্যসমূহৰ আৰক্ষীৰ সহযোগত তদন্ত অব্যাহত ৰাখিছে। সঞ্চালকপ্ৰধানগৰাকীয়ে লগতে কয় যে, অসমত সম্প্ৰতি শান্তিৰ পৰিৱেশে বিৰাজ কৰিছে আৰু কোনো কাৰণতে এই পৰিৱেশ বিঘ্নিত কৰাটো উচিত নহয়। এনেক্ষেত্ৰত কোনো লোকে আইন ভংগ কৰি বিশৃংখল পৰিৱেশৰ সৃষ্টি কৰিলে অসম আৰক্ষীয়ে কঠোৰ ব্যৱস্থা ল'ব বুলি তেওঁ উল্লেখ কৰে। এইক্ষেত্ৰত কোনো লোকৰ কিবা অভিযোগ থাকিলে সেয়া চৰকাৰক অৱগত কৰিবলৈ তেওঁ আহ্বান জনায়।

০০০০০০০

**সমাপ্ত**